## 2018

# POLITICAL SCIENCE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

GROUP—A

## ( POLITICS IN NORTH-EAST INDIA )

**1.** Answer the following questions : 1×7=7

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* What is the name of the last king of Assam?

অসমৰ শেষ ৰজাগৰাকীৰ নাম কি ?

*(b)* In which year was Nagaland attained the status of Statehood?

নগালেণ্ডে কিমান চনত ৰাজ্যৰ মৰ্যাদা পাইছিল ?

*(c)* Phulaguri Uprising took place in which year?

ফুলগুৰিৰ বিদ্ৰোহ কোন চনত সংঘটিত হৈছিল ?

*(d)* In which year Assam was incorporated into direct colonial administration?

অসমক কেতিয়া প্ৰত্যক্ষ ঔপনিৱেশিক প্ৰশাসনত অন্তৰ্ভুক্ত কৰা হৈছিল ?

*(e)* How many States are there in Northeastern Council?

উত্তৰ-পূব পৰিষদত থকা ৰাজ্যৰ সংখ্যা কিমান ?

*(f)* Who first revolted against colonial rule in Assam?

ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে অসমত প্ৰথমে কোনে বিদ্ৰোহ কৰিছিল ?

*(g)* Name any State of North-East India bordering China.

চীনৰ সীমামূৰীয়া যি কোনো এখন উত্তৰ-পূব ভাৰতৰ ৰাজ্যৰ নাম উল্লেখ কৰা ।

**2.** Answer the following questions : 2×4=8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* Why was 'Inner Line' introduced?

'ইনাৰ লাইন' কিয় প্ৰৱৰ্তন কৰা হৈছিল ?





*(b)* Mention any two administrative changes made by the British colonial rulers in Assam.

অসমত ব্ৰিটিছ ঔপনিৱেশিক শাসকে কৰা যি কোনো দুটা প্ৰশাসনীয় পৰিৱৰ্তন উল্লেখ কৰা ।

*(c)* Write two changes made by colonial rulers in the land revenue policy.

ঔপনিৱেশিক শাসকে ভূমি ৰাজহ নীতিৰ ক্ষেত্ৰত কৰা দুটা পৰিৱৰ্তন লিখা ।

*(d)* Write the names of any two of the member States of Northeastern Council.

উত্তৰ-পূব পৰিষদৰ যি কোনো দুখন সদস্য ৰাজ্যৰ নাম লিখা ।

**3.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটাৰ ওপৰত চমু টোকা লিখা :

*(a)* Treaty of Yandaboo

ইয়াণ্ডাবুৰ সন্ধি

*(b)* Migration of plantation labour

বাগিচা শ্ৰমিকৰ প্ৰব্ৰজন

*(c)* Role of Raij Mels

ৰাইজ মেলৰ ভূমিকা

*(d)* Socio-cultural diversities of North-East India

উত্তৰ-পূব ভাৰতৰ সমাজ-সংস্কৃতিৰ বৈচিত্ৰ্য

**4.** Answer the following questions : 10×3=30
তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* Why is North-East India geo-strategically important? Explain this in the context of Look East Policy.

উত্তৰ-পূব ভাৰত ভূ-কৌশলগতভাৱে কিয় গুৰুত্বপূৰ্ণ? পূবলৈ চোৱা নীতিৰ আধাৰত ইয়াৰ ব্যাখ্যা দাঙি ধৰা।

*Or / অথবা*

Give an account of the tribes of North-East India with special reference to Assam.

অসমৰ বিশেষ প্ৰসংগসহ উত্তৰ-পূব ভাৰতৰ জনজাতিৰ এটি বৰ্ণনা দিয়া।

*(b)* Examine the British colonial policy of expansion in North-East India.

উত্তৰ-পূব ভাৰতত ব্ৰিটিছ্ ঔপনিৱেশিক সম্প্ৰসাৰণ নীতি পৰীক্ষা কৰা।

*Or / অথবা*

Describe the administration of excluded areas of North-East India. Why were they called excluded areas?

উত্তৰ-পূব ভাৰতৰ বহিৰ্ভূত অঞ্চলৰ প্ৰশাসন ব্যাখ্যা কৰা। ইয়াক কিয় বহিৰ্ভূত অঞ্চল বুলি কোৱা হৈছিল?





*(c)* What was the contribution of Anglo-Manipur War of 1891 to the modern development of Manipur? Discuss.

১৮৯১ চনৰ ইংৰাজ-মণিপুৰ যুদ্ধই মণিপুৰৰ আধুনিক বিকাশত পালন কৰা ভূমিকা আলোচনা কৰা।

*Or / অথবা*

Discuss the impact of migration of people from East Bengal on demography of North-East India.

পূব বংগৰ পৰা হোৱা জনপ্ৰব্ৰজনে উত্তৰ-পূব ভাৰতৰ জনগাঁথনিত পেলোৱা প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

## GROUP—B

## ( GENERAL SOCIOLOGY—I )

**1.** Answer the following as directed : 1×7=7
তলত দিয়াবোৰৰ নিৰ্দেশ অনুযায়ী উত্তৰ লিখা :

*(a)* Sociology is a branch of natural sciences.

(Write correct or incorrect)

সমাজতত্ত্ব প্ৰাকৃতিক বিজ্ঞানৰ এটা শাখা।

(শুদ্ধ নে অশুদ্ধ লিখা)

*(b)* As a subject of study Political Science is newer/older than Sociology.

(Choose the correct answer)

অধ্যয়নৰ বিষয় হিচাপে সমাজতত্ত্বকৈ ৰাজনীতি বিজ্ঞান নতুন/পুৰণি।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

*(c)* Name one proponent of statistical method of the study of Sociology.

সমাজতত্ত্ব অধ্যয়নৰ পৰিসংখ্যামূলক পদ্ধতিৰ এগৰাকী প্ৰবক্তাৰ নাম লিখা।

*(d)* "Society is the network of social relationships." Who said this?

"সমাজ হৈছে সামাজিক সম্পৰ্কৰ জালগাঁথনি।" এই কথাষাৰ কোনে কৈছিল?

*(e)* Write an advantage of nuclear family.

একক পৰিয়ালৰ এটা সুবিধা লিখা।

*(f)* What is community?

সম্প্ৰদায় কি?

*(g)* What do you mean by gender?

লিঙ্গ বুলিলে কি বুজা?

**2.** Answer the following questions : 2×4=8

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* Who first coined the term 'sociology' and when?

'Sociology' শব্দটো প্ৰথমে কোনে আৰু কেতিয়া ব্যৱহাৰ কৰিছিল?





*(b)* From which words of which languages, the term 'sociology' was originated?

'Sociology' আখ্যাটো কি কি ভাষাৰ কি কি শব্দৰ পৰা উদ্ভৱ হৈছিল?

*(c)* Write two features of social class.

সামাজিক শ্ৰেণীৰ দুটা বৈশিষ্ট্য লিখা।

*(d)* Write two causes for inferior position of women in society.

সমাজত মহিলাৰ নিম্নস্থানৰ দুটা কাৰণ লিখা।

**3.** Write short notes on any *three* of the following : 5×3=15

তলৰ যি কোনো তিনিটা বিষয়ৰ ওপৰত চমু টোকা লিখা :

*(a)* View of Synthetic School on Sociology

সমাজতত্ত্বৰ সমন্বয়াত্মক গোষ্ঠীৰ দৃষ্টিভংগী

*(b)* Relationship between Sociology and Economics

সমাজতত্ত্ব আৰু অৰ্থনীতিৰ মাজৰ সম্পৰ্ক

*(c)* Differences between Class and Caste

শ্ৰেণী আৰু জাতি বা বৰ্ণৰ মাজৰ পাৰ্থক্য

*(d)* Historical Method of Sociology

সমাজতত্ত্বৰ ঐতিহাসিক পদ্ধতি

*(e)* Role and Status

ভূমিকা আৰু মৰ্যাদা

**4.** Define sociology. Do you think that the study of Sociology is important? Justify your answer. 10

সমাজতত্ত্বৰ সংজ্ঞা দিয়া। সমাজতত্ত্বৰ অধ্যয়ন প্ৰয়োজনীয় বুলি তুমি ভাবানে? যুক্তি দৰ্শোৱা।

*Or* / *অথবা*

What is society? Discuss the elements of society.

সমাজ কি? সমাজৰ উপাদানসমূহ আলোচনা কৰা।

**5.** Discuss the scientific or experimental method of Sociology. 10

সমাজতত্ত্বৰ বৈজ্ঞানিক বা পৰীক্ষামূলক পদ্ধতিটো আলোচনা কৰা।

*Or* / *অথবা*

What is social stratification? Write a note on stratification in modern society.

সামাজিক স্তৰীকৰণ কি? আধুনিক সমাজত স্তৰীকৰণৰ বিষয়ে এটি টোকা লিখা।

**6.** What is family? Discuss the recent trends in modern nuclear family. 10

পৰিয়াল কি? সাম্প্ৰতিক সময়ত আধুনিক একক পৰিয়াললৈ অহা পৰিৱৰ্তনসমূহ আলোচনা কৰা।

*Or* / *অথবা*

What do you mean by caste system? Discuss the factors responsible for change in the caste system.

জাতি বা বৰ্ণ ব্যৱস্থা বুলিলে কি বুজা? জাতি ব্যৱস্থালৈ পৰিৱৰ্তন অনা উপাদানসমূহ আলোচনা কৰা।

★★★